**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**ৰাজস্থান চৰকাৰ**

**বনাম**

**নাথ মাল আৰু মিঠা মাল।**

( মুখ্য ন্যায়াধীশ মেহেৰ চান্দ মহাজন, ন্যায়াধীশ মুখাৰ্জী, এছ আৰ ডি এছ, ভিভিয়ান বসু আৰু গুলাম হাছান )

ভাৰতীয় সংবিধান , অনুচ্ছেদ ১৯(১)(১) আৰু ৩১(২)-ৰায়স্থান খাদ্যশস্য নিয়ন্ত্ৰণ আদেশ, ১৯৪৯, দফা ২৫- সংবিধান ভংগ কৰে নেকি।

যে ৰাজস্থান খাদ্যশস্য নিয়ন্ত্ৰণ আদেশ , ১৯৪৯ৰ ২৫ নং দফাৰ প্ৰথম অংশ খাদ্যশস্যৰ মজুত জমা কৰি ৰখাৰ সৈতে জড়িত সংবিধানৰ ১৯(ল)(চ) অনুচ্ছেদৰ অধীনত অবৈধ নহয় কাৰণ খাদ্যশস্যৰ মজুত এনেদৰে জমা ৰখাৰ কথাটো আইনখনে লাভ কৰিবলৈ লোৱা উদ্দেশ্যৰ সৈতে যুক্তিসংগতভাৱে জড়িত , অৰ্থাৎ উচিত মূল্যত ন্যায্য বিতৰণ আৰু উপলব্ধতা নিশ্চিত কৰা আৰু খাদ্যশস্যৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণ, বিতৰণ, নিষ্কাশন আৰু অধিগ্ৰহণ নিয়ন্ত্ৰণ কৰা।

25 নং দফাটোৰ শেষৰ অংশটোৱে এই কয় যে "এনে জমা সমূহ চৰকাৰী ক্ৰয়ৰ উদ্দেশ্যে নিৰ্ধাৰিত হাৰত উক্ত কৰ্তৃপক্ষৰ আদেশৰ অধীনত অধিগ্ৰহণ বা নিষ্পত্তি কৰিবলৈও দায়বদ্ধ হ 'ব", সংবিধানৰ অনুচ্ছেদ ১৯(১)(চ) আৰু অনুচ্ছেদ ৩১(২) ৰ অধীনত নিষিদ্ধ হ'ব-

(১) কাৰণ এই দফাটোৱে বাণিজ্য বা ব্যৱসায় চলোৱাৰ ওপৰত অযুক্তিকৰ বাধা আৰোপ কৰিছে আৰু সেয়েহে সংবিধানৰ ১৯(১)(চ) অনুচ্ছেদৰ অধীনত প্ৰতিবাদকাৰীসকলৰ অধিকাৰ উলংঘা কৰা হৈছে;

(২) কাৰণ যিকোনো মূল্যত জমাসমূহ অধিগ্ৰহণ কৰাৰ ক্ষমতা কৰ্তৃপক্ষক প্ৰদান কৰি দফাটোৱে ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণ কৰাত ব্যৰ্থ হয় বা ইয়াক নিৰ্ধাৰণ কৰিবলগীয়া নীতিসমূহ নিৰ্দিষ্ট কৰাত ব্যৰ্থ হয় আৰু ইয়াক সম্পূৰ্ণৰূপে কাৰ্য্যপালিকাৰ কৰ্তৃপক্ষৰ বিবেচনাৰ ইচছা অনুসৰি ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলৈ এৰি দিয়ে আৰু এইদৰে সংবিধানৰ ৩১(২) অনুচ্ছেদৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়।

***দেৱানী আপীল অধিকাৰক্ষেত্ৰ : দেৱানী আপীল নং. ১৩৬/১৯৫২ চনৰ*।**

ডি. বি. বিবিধ লেখ আবেদন নং ৩/১৯৫১ত , ১৯ অক্টোবৰ ১৯৫১ তাৰিখে ৰাজস্থান উচ্চ ন্যায়ালয় , যোধপুৰে দিয়া ৰায় আৰু আদেশৰ ওপৰত ভাৰতৰ সংবিধানৰ ১৩২ (১) আৰু ১৩ (১) ( গ) অনুচ্ছেদৰ অধীনত দাখিল কৰা আপীল।

কে এছ হাজেলা, মহাধিবক্তা ৰাজস্থানৰ.......... আপীলকাৰীৰ হৈ।

কে. এন. আগৰৱাল আৰু পি. চি. আগৰৱালা....... প্ৰতিবাদীৰ হৈ ।

এম. চি. চেটালভাড, ভাৰতৰ এটৰ্নী জেনেৰেল (প 'ৰাছ এ. মেহতা, তেওঁৰ লগত) হস্তক্ষেপকাৰীৰ হৈ(ভাৰত চৰকাৰ)।

১৯৫৪ চনৰ১২ মাৰ্চ: আদালতৰ ৰায়দান প্ৰদান কৰে ন্যায়াধীশ গুলাম হাছানে – এই আবেদনৰ লগত জড়িত প্ৰশ্নটো ৰাজস্থান খাদ্য শস্য নিয়ন্ত্ৰণ আদেশ, ১৯৪৯ৰ ২৫ নং দফাটোৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত। ইয়াত নিয়ন্ত্ৰণ আদেশ বুলি কোৱা হৈছে আৰু তলত দিয়া পৰিস্থিতিত উদ্ভৱ হয়:-

ৰাজস্থান ৰাজ্যৰ যোধপুৰ সংমণ্ডলৰ ৰানিৱাৰাৰ শস্য ব্যৱসায়ী , উত্তৰদাতাসকলৰ হাতত খাদ্যশস্যৰ ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ আছিল। তেওঁলোকৰ নিয়মীয়া ব্যৱসায় কালত তেওঁলোকৰ হাতত যথেষ্ট পৰিমাণৰ বাজৰা মজুত আছিল কিন্তু ১৯৫০ চনৰ ৭ অক্টোবৰত মহকুমা বিষয়াৰ জৰিয়তে যোধপুৰৰ অসামৰিক

যোগান বিভাগৰ উপ আয়ুক্তই তেওঁলোকৰ মজুত জব্দ কৰে। তেতিয়া প্ৰচলিত বজাৰ মূল্য প্ৰতি মোনত প্ৰায় ১৮ টকা আছিল বুলি কোনো বিতৰ্ক নাই। চৰকাৰে অৱশ্যে প্ৰতি মোনত ৯ টকাৰ হাৰত মজুত অধিগ্ৰহণ কৰি ১৩-৫-৪ টকাত বিক্ৰী কৰে। প্ৰতিবাদীসকলে দাবী কৰে যে তেওঁলোকে বজাৰৰ পৰা বজৰা প্ৰচলিত মূল্য ১৭ টকাৰ পৰা ১৮ টকাৰ ভিতৰত প্ৰতি মোনত ক্ৰয় কৰিছিল। ১৯৫১ চনৰ ২৩ জানুৱাৰীত সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত লেখ জাৰি কৰাৰ বাবে ৰাজস্থানৰ উচ্চ ন্যায়ালয়ৰ সন্মুখত আবেদন দাখিল কৰি কয় যে নিয়ন্ত্ৰণ আদেশৰ দফা নং ২৫, সংবিধানৰ অনুচ্ছেদ ১৪, ১৯(১) (ছ) আৰু ৩১(২) অনুচ্ছেদৰ অধীনত বাতিল যোগ্য।

উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে ২৫ নং দফাটো বাতিল হৈ থাকিব, যেতিয়ালৈকে ই সংবিধানৰ ১৯ ( ১) (ছ) অনুচ্ছেদৰ অধীনত প্ৰতিবাদীসকলৰ ব্যৱসায় চলোৱাৰ মৌলিক অধিকাৰৰ ওপৰত প্ৰতিবন্ধক হৈ থাকিব, যে নিষেধাজ্ঞাটো যুক্তিসংগত নহয় আৰু ১৯ নং অনুচ্ছেদৰ দফা (৬)ৰ দ্বাৰা ৰক্ষা কৰা হোৱা নাই। উচ্চ ন্যায়ালয়ে আৰু কয় যে খাদ্যশস্যসমূহ অধিগ্ৰহণৰ বাবে আইনে ন্যায্য ক্ষতিপূৰণ নিৰ্ধাৰণ নকৰাৰ বাবে ২৫ নং দফাতো ৩১ (২) অনুচ্ছেদে বাধা প্ৰদান কৰিছে। যিহেতু শস্যসমূহ ইতিমধ্যে চৰকাৰে নিষ্কাশন কৰি পেলাইছিল , সেয়েহে উচ্চ ন্যায়ালয়ে ১৭ টকা প্ৰতি মোনত ন্যায্য ক্ষতিপূৰণ বুলি ধৰি লৈ ৰাজস্থান চৰকাৰে সেই হাৰত ক্ষতিপূৰণ দিব লাগিব বুলি নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ে প্ৰদান কৰা প্ৰমাণপত্ৰৰ ওপৰত বৰ্তমানৰ আবেদনখনক চৰকাৰে দাখিল কৰিছে।

বিবাদিত দফা ২৫ তলত দিয়া ধৰণৰ:- "২৫. এই আদেশত থকা যিকোনো কথাৰ সত্ত্বেও , আয়ুক্ত, সঞ্চালক, উপায়ুক্ত, নাজিম, সহকাৰী আয়ুক্ত , মহকুমা বিষয়া, কোনো ন্যায়িক থিকানাৰ জ্যেষ্ঠ বিষয়া , বলবৎকাৰী বিষয়া বা আয়ুক্তই

অনুমোদন জনোৱা আন কোনো বিষয়াই যিকোনো ব্যক্তিয়ে মজুত কৰা খাদ্যশস্য জব্দ কৰিব পাৰে, নিজৰ হৈ হওক বা নহওক, আৰু তেনে ব্যক্তিয়ে উক্ত কৰ্তৃপক্ষৰ অনুমতি অবিহনে এনে মজুতৰ পৰা কোনো খাদ্যশস্য নিষ্কাশন কৰিব নোৱাৰিব। এনে মজুত কৰা খাদ্যশস্য সমূহ চৰকাৰী ক্ৰয়ৰ উদ্দেশ্যে নিৰ্ধাৰিত হাৰত উক্ত কৰ্তৃপক্ষৰ আদেশৰ অধীনত অধিগ্ৰহণ বা নিষ্কাশন কৰিব পৰা হ'ব।"

অত্যাৱশ্যকীয় যোগান আইন (১৯৪৬ চনৰ XXIV নং)ৰ অৰ্থৰ ভিতৰত বজৰা যে এক অপৰিহাৰ্য সামগ্ৰী সেই কথা বিতৰ্কিত নহয়। বিবেচনাৰ বাবে উত্থাপিত প্ৰশ্নটো হ'ল ২৫ নং দফাটোক সংবিধানৰ তৃতীয় খণ্ড উলংঘা কৰা বুলি কিমান দূৰলৈকে আৰু কি দিশত বাতিল বুলি ক'ব পাৰি। এই দফাটোৱে আয়ুক্ত আৰু তাত উল্লেখ কৰা অন্যান্য বিভিন্ন কৰ্তৃপক্ষ আৰু আয়ুক্তৰ দ্বাৰা অনুমোদিত অন্যান্য বিষয়াসকলে এজন ব্যক্তিয়ে মজুত কৰি ৰখা খাদ্যশস্য জব্দ কৰিব পাৰে । এইটো সঁচা যে উপায়ুক্তই তেওঁৰ বিবেচনা অনুসৰি নিজৰ ক্ষমতা আন যিকোনো বিষয়াক অৰ্পণ কৰাৰ কৰ্তৃত্ব কিছু বহল শব্দৰে প্ৰকাশ কৰা হয় কিন্তু আমি সিদ্ধান্ত লোৱাৰ প্ৰয়োজন নাই যে সেইটোৱেই দফাটোক বাতিল কৰিবলৈ যথেষ্ট হ'ব। স্বীকাৰ্য্য যে বৰ্তমানৰ গোচৰটোত সেই ক্ষমতা প্ৰয়োগ কৰা হোৱা নাই। নতুবা আমি নাভাবো যে খাদ্যশস্যৰ মজুত জমা কৰাৰ ক্ষমতা স্বেচ্ছাচাৰী বা কোনো যুক্তিসংগত ভিত্তিত ভিত্তি কৰি নহয়। ইয়াৰ কোনো বিতৰ্ক নাই যে দফাটোত জমাসমূহ ফ্ৰীজ কৰিব পৰা পৰিস্থিতি বা ভিত্তিসমূহ স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাই কিন্তু ইয়াক অত্যাৱশ্যকীয় যোগান আইনখনৰ ৩ নং ধাৰাটোৰ সৈতে পঢ়িব লাগে যিয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ উৎপাদন , যোগান আৰু বিতৰণ নিয়ন্ত্ৰণৰ নীতি নিৰ্ধাৰণ কৰে। ৩ নং ধাৰাত কোৱা হৈছে যে:- "কেন্দ্ৰীয় চৰকাৰে, যিমানদূৰলৈকে যিকোনো অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান বজাই ৰখা বা বৃদ্ধি কৰাৰ বাবে বা ইয়াৰ ন্যায্য মূল্যত ইয়াৰ ন্যায্য বিতৰণ আৰু উপলব্ধতা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় বা

সুবিধাজনক যেন লাগে , আদেশৰ দ্বাৰা ইয়াৰ উৎপাদন , যোগান আৰু বিতৰণ নিয়ন্ত্ৰণ বা নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰিব পাৰে। . , ............ "

উপধাৰা (২)ত উল্লেখ কৰা হৈছে:-

"উপধাৰা (১) দ্বাৰা প্ৰদান কৰা ক্ষমতাৰ সাধাৰণতাক ক্ষতি নকৰাকৈ, ইয়াৰ অধীনত দিয়া আদেশে প্ৰদান কৰিব পাৰে.....................

(ক) ............... .

(খ) ............... .

(গ) ............... .

(ঘ) অনুজ্ঞাপত্ৰ, অনুমতি অন্যথা কোনো অত্যাৱশ্যকীয় সামগ্ৰীৰ জমা , পৰিবহণ, বিতৰণ, নিষ্কাশন, অধিগ্ৰহণ, ব্যৱহাৰ বা ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে;

(ঙ)সাধাৰণতে বিক্ৰীৰ বাবে ৰখা যিকোনো অত্যাৱশ্যকীয় সামগ্ৰী নিষিদ্ধ কৰা.............................................................................................................. "

আমি স্পষ্ট যে, গতিকে, মজুত খাদ্যশস্যৰ ফ্ৰীজ যুক্তিসংগতভাৱে আইনখনে লাভ কৰিবলৈ লোৱা উদ্দেশ্যৰ সৈতে জড়িত , যথা, উচিত মূল্যত ন্যায্য বিতৰণ আৰু উপলব্ধতা নিশ্চিত কৰা আৰু খাদ্যশস্যৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণ, বিতৰণ, নিষ্কাশন আৰু অধিগ্ৰহণ নিয়ন্ত্ৰণ কৰা। ১৯ (১) (ছ) অনুচ্ছেদৰ অধীনত ২৫ নং দফাৰ প্ৰথম অংশ নিষিদ্ধ বুলি আমি উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সৈতে একমত নহয়।

২৫ নং দফাটোৰ শেষৰ অংশটোৱে এই সংক্ৰান্তত কয় যে , "এনে মজুত খাদ্যশস্য সমূহ চৰকাৰী ক্ৰয়ৰ উদ্দেশ্যে নিৰ্ধাৰিত হাৰত উক্ত কৰ্তৃপক্ষৰ আদেশৰ

অধীনত অধিগ্ৰহণ বা নিষ্কাশন কৰিবলৈও দায়বদ্ধ হ 'ব'', অৱশ্যে ই বেলেগ ভিত্তিত হব। এই দফাটোৰ শব্দায়ন অনুসৰি চৰকাৰে নিৰ্ধাৰণ কৰা যিকোনো হাৰত মজুত সমূহ অধিগ্ৰহণ কৰাটো আৰু নিজৰ বিবেচনা অনুসৰি যিকোনো হাৰত এনে মজুত সমূহ নিষ্পত্তি কৰাটো সম্পূৰ্ণৰূপে চৰকাৰৰ ওপৰত এৰি দিয়া হৈছে। ইয়াৰ দ্বাৰা স্পষ্টভাৱে খাদ্যশস্যৰ মজুতক ইচ্ছাকৃত মূল্যত অধিগ্ৰহণ কৰাৰ এক অসংযত কৰ্তৃত্ব প্ৰদান কৰা হয়। এই বিধানৰ বিপৰীতে আমি নিয়ন্ত্ৰণ আদেশৰ ২৩ আৰু ২৪ নং দফা চাব পাৰো। সেইবোৰ হ'ল—

"২৩) আয়ুক্ত বা সঞ্চালক , আৰু সঞ্চালকৰ অনুমোদন সাপেক্ষে কোনো ন্যায়িক থিকানাৰ উপায়ুক্ত বা জ্যেষ্ঠ বিষয়াই এই আদেশ প্ৰযোজ্য হোৱা যিকোনো অঞ্চলৰ খাদ্যশস্য বিক্ৰী কৰাৰ চিলিং মূল্য নিৰ্ধাৰণ কৰিব পাৰে, আৰু সময়ে সময়ে পাৰে তেনে দাম সলনি কৰিব পাৰে।"

"২৪) আয়ুক্ত, সঞ্চালক, উপায়ুক্ত, নাজিম, সহকাৰী আয়ুক্ত, মহকুমা বিষয়া, বা ন্যায়িক থিকানাৰ জ্যেষ্ঠ বিষয়া , যি নহওক, কোনো ব্যক্তি বা ব্যক্তিক নিজৰ হৈ হওক বা নহওক , কোনো খাদ্যশস্য বা ইয়াৰ অংশ যিকোনো ব্যক্তি বা ব্যক্তিক যিকোনো নিৰ্দিষ্ট স্থানত আৰু দফা ২৩ৰ অধীনত নিৰ্ধাৰণ কৰা মূল্যত বিক্ৰী কৰিবলৈ নিৰ্দেশ দিব পাৰে।"

এই দফাসমূহৰ পৰা দেখা যায় যে যদিও কৰ্তৃপক্ষই ব্যৱসায়ীসকলে খাদ্যশস্য বজাৰত বিক্ৰী কৰাৰ চিলিং মূল্য নিৰ্ধাৰণ কৰিব পাৰে আৰু খাদ্যশস্য থকা যিকোনো ব্যক্তিক ২৩ নং দফাৰ অধীনত নিৰ্ধাৰিত মূল্যত আন যিকোনো ব্যক্তিক বিক্ৰী কৰিবলৈ নিৰ্দেশ দিব পাৰে আৰু জমাসমূহ অধিগ্ৰহণ কৰাৰ চৰকাৰৰ ক্ষমতাৰ ওপৰত এনে কোনো সীমাবদ্ধতা নাই। অন্যহাতে, চিলিং মূল্যতকৈ কম মূল্যত জমা অধিগ্ৰহণ কৰাটো চৰকাৰৰ বাবে মুকলি হ 'ব যাৰ ফলত যিসকল

ব্যক্তিৰ জমা ফ্ৰীজ হৈ থাকে তেওঁলোকৰ লোকচান হ 'ব আৰু একে সময়তে চৰকাৰে একেখিনি জমা অধিক মূল্যত বিক্ৰী কৰি লাভ কৰাৰ অৰ্জন কৰিবলৈ স্বাধীন হব। এইটো স্পষ্ট যে , যিজন ডিলাৰৰ জমা এনেদৰে ফ্ৰীজ হব যথেষ্ট হেৰুৱাব আৰু প্ৰচলিত বজাৰ মূল্যত নিজৰ ব্যৱসায় বা বাণিজ্য চলাব নোৱাৰিব। কোনো ডিলাৰে বজাৰ মূল্যত খাদ্যশস্য নি কিনিব যেতিয়া তেওঁ জানে যে তেওঁৰ ষ্টক যিকোনো মুহূৰ্ততে ফ্ৰীজ হৈ যোৱাৰ আশংকা থাকে আৰু একেখিনি ক্ৰয়ৰ হাৰত অধিগ্ৰহণ কৰা হৈছে। এইটো এটা বিষেশ গোচৰ যিয়ে শস্য ব্যৱসায়ীৰ ব্যৱসায় কেনেকৈ পক্ষাঘাতগ্ৰস্ত হ 'ব পাৰে, তাৰ উদাহৰণ দাঙি ধৰে, কাৰণ স্বীকাৰ কৰা হৈছে চৰকাৰী ক্ৰয়ৰ মূল্য এক মোনত ৯ টকা আছিল আৰু বজাৰ মূল্য আছিল ১৭টকা বা ১৮ টকা প্ৰতি মোনত, ফলত জমা কৰোতা জনে প্ৰায় এশ শতাংশ লোকচানৰ সন্মুখীন হ 'বলগীয়া হয় আনহাতে চৰকাৰে অধিগ্ৰহণ কৰা জমাৰ প্ৰতি মোনত ৪-৫-৪ টকাকৈ লাভ কৰে।

গতিকে আমি ধৰি লওঁ যে ২৫ নং দফাটোৰ শেষৰ অংশটোৱে বাণিজ্য বা ব্যৱসায় চলোৱাৰ ওপৰত অযুক্তিকৰ নিষেধাজ্ঞা আৰোপ কৰিছে আৰু সেয়েহে ই সংবিধানৰ ১৯(১) (ছ) অনুচ্ছেদৰ অধীনত প্ৰতিবাদকাৰীৰ অধিকাৰ উলংঘা কৰিছে আৰু সেয়েহে, ই সেই পৰি সীমালৈকে অবৈধ। অনুচ্ছেদ ৩১ (২)ৰ লগত বিবাদিত দফাটো পৰীক্ষা কৰিলেও একে ফলাফল পোৱা যায়। যিকোনো মূল্যত ষ্টকসমূহ অধিগ্ৰহণ কৰাৰ ক্ষমতা কৰ্তৃপক্ষৰ ওপৰত ন্যস্ত ক ৰা দফাটোৱে ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণ কৰাত ব্যৰ্থ হয় বা ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলগীয়া নীতিসমূহ নিৰ্দিষ্ট কৰা ত ব্যৰ্থ হয় । এই দফাটোৱে কাৰ্য পালিকাক নিজ ইচছা অনুসৰি ক্ষতিপূৰণ নিৰ্ধাৰণ ক ৰিবলৈ সম্পূৰ্ণ ভাবে এৰি দিছে। উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায় দিছিল যে এই দফাটোৱে ৩১(২) অনুচ্ছেদৰ বিৰুদ্ধে গৈছে।

পূৰ্বৰ কাৰণসমূহৰ বাবে আমি ২৫ নং দফাটোৰ শেষ অংশ  অবৈধ বুলি ধৰি লৈছো আৰু খৰচৰ সৈতে আপীল খাৰিজ কৰিছো।

আপীল খাৰিজ কৰা হল।

আপীলকাৰী আৰু হস্তক্ষেপকাৰীৰ হৈ: আৰ. এইচ. ঢেবৰ।

*অনুবাদক-*

*প্ৰণৱ জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*